অধ্যায় ১৩ ঃ বিত্তীয় ব্যৱস্থা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ বিত্তীয় ব্যৱস্থাৰ অর্থ
১৩.৪ বিত্তীয় ব্যৱস্থাৰ ভূমিকা
১৩.৫ বিত্তীয় ব্যৱস্থাত নিহিত উপাদানসমূহ
১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৭ অধিক জানিবৰ বাবে
১৩.৮ অগ্রগতিৰ খতিয়ান
১৩.৯ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি —

- বিত্তীয় ব্যৱস্থাৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- বিত্তীয় ব্যৱস্থাৰ ভূমিকা বুজি পাব
- বিত্তীয় ব্যৱস্থাত নিহিত উপাদানসমূহৰ বিষয়ে বর্ণনা কৰিব পাৰিব

১৩.২ পৰিচয়

অর্থনৈতিক পৰিবর্তন সাধন কৰাৰ সবাতোকৈ গুৰুত্বপূর্ণ আনুষ্ঠানিক তথা কার্যসম্পাদনকাৰী আহিলাবোৰৰ এটা হ'ল বিত্তীয় ব্যৱস্থা (Financial Systems)। বিত্তীয় ব্যৱস্থা এটাই এক আধুনিক অর্থনীতিত প্রয়োজন হোৱা বিভিন্ন সেৱা আগবঢ়ায়। প্রতিটো অর্থনীতিকে নিজৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিবলৈ এক উপযুক্ত তথা ফলপ্রসূ বিত্তীয় ব্যৱস্থাৰ প্রয়োজন হয়। বিত্তীয় ব্যৱস্থা হ'ল এটা আনুষ্ঠানিক ব্যৱস্থাপনা। ইয়াৰ জৰিয়তে ঋণদাতা, ঋণ লওতা আৰু বিনিয়োগকাৰীৰ মাজত পুঁজিৰ লেনদেন হয়। এই ব্যৱস্থাটোৰ সৈতে বিভিন্ন বজাৰ, বিত্তীয় অনুষ্ঠান, আহিলা, সেৱা আৰু প্রণালী সাঙোৰ খাই থাকে। এই আটাইবোৰে মিলি সঞ্চয়, বিনিয়োগ, মূলধন সৃষ্টিৰ লগতে অর্থনৈতিক বিকাশত অৰিহণা যোগায়। বিত্তীয় ব্যৱস্থাই ৰাষ্ট্রীয়, বিশ্বজনীন আৰু ব্যৱসায়িক অনুষ্ঠান/প্রতিষ্ঠান নির্দিষ্ট স্তৰত কাম কৰে। এই অধ্যায়ত আমি বিত্তীয় ব্যৱস্থাৰ অর্থ, ভূমিকা আৰু উপাদানবোৰৰ বিষয়ে বহলাই আলোচনা কৰিম।

১৩.৩ বিত্তীয় ব্যৱস্থাৰ অর্থ

বিত্তীয় ব্যৱস্থা বুলিলে আনুষ্ঠানিক ব্যৱস্থাপনাৰ এনে এক সমষ্টিৰ কথা বুজোৱা হয় যিটোৰ জৰিয়তে অর্থনীতিৰ বিত্তীয় ৰাহি (financial surpluses) বোৰক ৰাহি একক (surplus units) ৰ পৰা সংগ্রহ কৰি ঘাটি একক (deficit units) বোৰলৈ স্থানান্তৰিত কৰা হয়। সেইবোৰ একক‌হে ৰাহি একক বুলি কোৱা হয় যিবোৰৰ আয় (উপার্জন) ব্যয়তকৈ অধিক। সেয়েহে এনে একক‌ত ৰাহি পুঁজি একোটা থাকে। ইয়াৰ বিপৰীতে ঘাটি একক‌বোৰে উপার্জনতকৈ অধিক ব্যয় কৰে। সেয়েহে এনে একক‌ে অন্যৰ পৰা পূঁজি ধাৰে ল'বলগীয়া হয়। ৰাহি একক‌ৰ সাধাৰণ উদাহৰণ এটা হ'ল পৰিয়াল ক্ষেত্র (household sector) আৰু ঘাটি একক‌ৰ সাধাৰণ উদাহৰণ হ'ল ব্যৱসায় ক্ষেত্র (business sector)। বিত্তীয় ব্যৱস্থা এটাৰ আনুষ্ঠানিক ব্যৱস্থাপনাত তলত উল্লেখ কৰা ব্যৱস্থাবোৰ থাকে-

- উৎপাদন, বিতৰণ, বিত্তীয় সম্পত্তি (Financial Assets) নাইবা আহিলা বিনিময় তথা আহৰণৰ চর্ত আৰু ব্যৱস্থাৱলী
- বিত্তীয় বজাৰবোৰৰ কার্যসম্পাদন নীতি
- বিত্তীয় প্রতিষ্ঠানবোৰৰ সংগঠন তথা কার্যসম্পাদন ব্যৱস্থা।

অন্য অর্থত, বিত্তীয় প্রতিভূ, বিত্তীয় বজাৰ আৰু বিত্তীয় প্রতিষ্ঠানবোৰে সামগ্রিকভাৱে বিত্তীয় ব্যৱস্থাটো গঢ়ি তোলে।

বিত্তীয় ব্যৱস্থা আৰু পৰিশোধ ব্যৱস্থা (Payments system)ৰ মাজত প্রভেদ আছে। বিত্তীয় ব্যৱস্থাই মুদ্রা, ঋণ তথা বিত্তকে ধৰি নগদ ধন আৰু ঋণ লেনদেনৰ সৈতে জড়িত সকলো কামকাজক সামৰি লয়। ইয়াৰ তুলনাত পৰিশোধ ব্যৱস্থা এটা অতি সংকীর্ণ ধাৰণা। এই ব্যৱস্থাই কেৱল নগদ ধন পৰিশোধ কৰা কার্যটোৰ কথাহে বুজায়।



জানি থোৱা ভাল

বিত্তীয় ব্যৱস্থা হ'ল কোনো এক অর্থনীতিৰ পৰিৱর্তন সাধনৰ বাবে ব্যৱহৃত এক গুৰুত্বপূর্ণ আহিলা। এই ব্যৱস্থাটোৰ সৈতে বিভিন্ন বজাৰ, বিত্তীয় অনুষ্ঠান, আহিলা, সেৱা আৰু প্রণালী সাঙোৰ খাই থাকে। এই আটাইবোৰে মিলি সঞ্চয়, বিনিয়োগ, মূলধন সৃষ্টিৰ লগতে অর্থনৈতিক বিকাশত অৰিহণা যোগায়। বিত্তীয় ব্যৱস্থা বুলিলে আনুষ্ঠানিক ব্যৱস্থাপনৰে এনে এক সমষ্টিৰ কথা বুজোৱা হয় যিবোৰৰ জৰিয়তে অর্থনীতিৰ বিত্তীয় ৰাহিবোৰক ৰাহি একক‌ৰ পৰা সংগ্রহ কৰি ঘাটি একক‌বোৰলৈ স্থানান্তৰিত কৰা হয়। পৰিশোধ ব্যৱস্থাৰ সৈতে বিত্তীয় ব্যৱস্থাৰ প্রভেদ আছে। পৰিশোধ ব্যৱস্থাই কেৱল নগদ ধন পৰিশোধ কৰা কার্যক সামৰি লয়। বিত্তীয় ব্যৱস্থাই মুদ্রা, ঋণ আৰু বিত্তৰ লগতে নগদ ধন আৰু ঋণ লেনদেন প্রক্রিয়াবোৰকো সামৰি লয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বিত্তীয় ব্যৱস্থা কি? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ২ ঃ বিত্তীয় ব্যৱস্থা আৰু পৰিশোধ ব্যৱস্থাৰ মাজত কি প্রভেদ আছে? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৩ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক

(ক) বিত্তীয় ব্যৱস্থাৰ জৰিয়তে কোনো এক অর্থনীতিৰ বিত্তীয় ৰাহিক ৰাহি এককবোৰৰ পৰা সংগ্রহ কৰি ঘাটি এককবোৰলৈ স্থানান্তৰিত কৰা হয়।

(খ) বিত্তীয় ব্যৱস্থাই মুদ্রা, ঋণ আৰু বিত্ত বিষয়ক কাম-কাজকে সামৰি লয়।

(গ) বিত্তীয় ব্যৱস্থা আৰু পৰিশোধ ব্যৱস্থা একে।

(ঘ) বিত্তীয় ব্যৱস্থাই মূলধন সৃষ্টিত সহায় নকৰে।

.....

.....

১৩.৪ বিত্তীয় ব্যৱস্থাৰ ভূমিকা

তলত উল্লেখ কৰা দিশবোৰৰ পৰা বিত্তীয় ব্যৱস্থাৰ ভূমিকা বুজি পোৱা যায় ঃ

- সঞ্চয়ে এখন দেশৰ বিনিয়োগ আৰু উৎপাদন বৃদ্ধিত সহায় কৰে। ইয়াৰ ফলত এটা সময়ত দেশখনত অর্থনৈতিক উন্নয়ন সাধন হয়। বিত্তীয় ব্যৱস্থাই ৰাহি পুঁজিৰ ফলপ্রসূ সংগ্রহ আৰু আবন্টনৰ জৰিয়তে সঞ্চয়কাৰী তথা বিনিয়োগকাৰীৰ মাজত সংযোগ স্থাপন কৰে। বিত্তীয় প্রতিষ্ঠানবোৰে আকর্ষণীয় সূতৰ হাৰ আগবঢ়াই জনসাধাৰণক সঞ্চয়ৰ প্রতি আগ্রহী কৰি তোলে। এই সঞ্চয়ৰ ধনৰাশি পাচত দেশৰ উৎপাদন তথা বিতৰণৰ সৈতে জড়িত হৈ থকা বিভিন্ন ব্যৱসায়িক প্রতিষ্ঠানলৈ ঋণ হিচাপে আগবঢ়োৱা

হয়। সঞ্চয়ৰ ধন সংগ্রহ কৰাৰ উপৰি বিত্তীয় ব্যৱস্থা এটাই বিভিন্ন মধ্যৱৰ্তী বিত্তীয় প্রতিষ্ঠানৰ জৰিয়তে বিত্তীয় আহিলা আৰু সেৱাৰ নানা প্রকাৰৰ সা-সুবিধা আগবঢ়াই সঞ্চয়ৰ পৰিমাণ আৰু দৰ ত্বৰান্বিত কৰাত সহায় কৰে।

- বিত্তীয় ব্যৱস্থাই সংশ্লিষ্ট ব্যৱসায় সম্প্রসাৰিত কৰিবলৈ কর্প'ৰেট গ্রাহকসকলক পুঁজিৰ যোগান ধৰি ৰাষ্ট্রীয় উৎপাদন বৃদ্ধিত সহায় কৰে। মূলধনী বজাৰ, নগদী মুদ্রাৰ বজাৰ, বৈদেশিক মুদ্রা বিনিময় বজাৰ আৰু চৰকাৰী প্রতিভূতি বজাৰ (Government Securities Market) বোৰে ব্যৱসায়ী, উদ্যোগপতি তথা চৰকাৰবোৰক নিজ নিজ ঋণৰ প্রয়োজন পূৰণ কৰাত সহায় কৰে।
- বিত্তীয় ব্যৱস্থাই দেশ এখনৰ আন্তঃগাঁথনি গঢ়াত আৰু বিকাশত সহায় কৰে। দেশৰ অর্থনৈতিক উন্নয়নৰ বাবে এক সু-বিকশিত আন্তগাঁথনিমূলক সা-সুবিধাৰ সমষ্টি থকাটো অতি প্রয়োজনীয়। বিত্তীয় সেৱাবোৰে পুঁজিৰ যোগান ধৰি আন্তঃগাঁথনিমূলক উদ্যোগবোৰৰ বিকাশত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। অর্থনৈতিক উদাৰীকৰণ বাস্তৱ হোৱাৰ লগে লগে ব্যক্তিগত খণ্ডৰ উদ্যোগবোৰে আন্তঃগাঁথনি যোগানকাৰী উদ্যোগ গঢ়ি তোলাৰ বাবে আগবাঢ়ি আহিছে। এনে উদ্যোগৰ বাবে মূলধন সংগ্রহ কৰি বিভিন্ন উন্নয়ন বেংক (Development Banks) আৰু বাণিজ্য বেংক (Merchant Bank) এ সহায়ৰ হাত আগবঢ়াইছে।
- বিত্তীয় ব্যৱস্থাই দেশ এখনক আন্তঃৰাষ্ট্রীয় প্রতিদ্বন্দ্বিতাত অংশগ্রহণ কৰিব পৰা কৰি তোলে। এক অত্যাধুনিক বিত্তীয় ব্যৱস্থাই উদ্ভাৱন কার্য কমখৰছী আৰু অধিক লাভদায়ক কৰি তোলে। বিত্তীয় ব্যৱস্থাই দেশ এখনৰ বিভিন্ন প্রকাৰৰ বিত্তীয় ব্যৱস্থাপনাক কাম-কাজ চলাই যাবলৈ অনুপ্রাণিত কৰে। ইয়াৰ ফলত এনে ব্যৱস্থাপনা পদ্ধতিবোৰৰ উৎপাদন ক্ষমতা বৃদ্ধি পায়। ইয়েই দেশ এখনৰ আন্তঃৰাষ্ট্রীয় পর্যায়ত বিভিন্ন ক্ষেত্রত প্রতিদ্বন্দ্বিতা আগবঢ়োৱাৰ সামর্থ বৃদ্ধি কৰে।
- বিত্তীয় ব্যৱস্থা এটাই কোনো এক অর্থনীতিৰ সুষম বিকাশ সুনিশ্চিত কৰে। সুষম বিকাশ মানে হ'ল অর্থনীতিৰ সকলোবোৰ ক্ষেত্রতে একে সময়তে হোৱা সমান বিকাশ। এখন দেশৰ অর্থনৈতিক উন্নয়নৰ বাবে এনে বিকাশ প্রয়োজনীয়। বিকাশৰ বাবে মুখ্য খণ্ড (Primary Sector); গৌণ খণ্ড (Secondary Sector) আৰু তৃতীয় খণ্ড (Tertiary Sector) ক পর্যাপ্ত পুঁজিৰ প্রয়োজন হয়। বিত্তীয় ব্যৱস্থা এটাই সকলোবোৰ খণ্ডলৈকে সহজলভ্য পুঁজি এনেদৰে বিতৰণ কৰাত সহায় কৰে যাতে সকলোবোৰ খণ্ডৰে এক সন্তুলিত বিকাশ সাধন হয়।
- বিত্তীয় ব্যৱস্থাই গ্রামাঞ্চল আৰু সমাজৰ দুর্বল শ্রেণীবোৰৰ উন্নয়নৰ পোষকতা কৰে। ইয়াৰ বাবে গ্রামীন বিকাশ বেংক আৰু সমবায় সমিতিবোৰৰ সহায় লোৱা হয়। এই বিত্তীয় প্রতিষ্ঠানবোৰে উপযুক্ত মাধ্যমৰ সহায়ত গাঁওবাসী লোকক সঞ্চয়ৰ বাবে উৎসাহিত কৰে আৰু প্রয়োজনত তেওঁলোকক বিত্তীয় সাহায্য প্রদান কৰে। এনে প্রতিষ্ঠানবোৰে

সময়ে সময়ে গ্রামাঞ্চলসমূহত নানা কার্যসূচীৰ আয়োজন কৰে। গ্রামাঞ্চলবোৰৰ উন্নয়নে সমগ্ৰ দেশৰ এক সমতাপূর্ণ আঞ্চলিক উন্নয়ন সুনিশ্চিত কৰে।


- বিত্তীয় ব্যৱস্থাৰ সহায়তেই দেশ এখনৰ চৰকাৰে এক ব্যৱসায় অনুকূল পৰিৱেশ গঢ়ি তুলিব পাৰে। এনে পৰিৱেশত মাত্রাধিক মুদ্রাস্ফীতি নাইবা মন্দাৱস্থাৰ অভিজ্ঞতা লাভ কৰিবলগীয়া অৱস্থাৰ সৃষ্টি নহয়। ঔদ্যোগবোৰক বিত্তীয় ব্যৱস্থাৰ জৰিয়তে উপযুক্ত সুৰক্ষা প্রদান কৰা উচিত যাতে কঠিন পৰিস্থিতিতো উদ্যোগবোৰৰ ঋণ প্রয়োজনীয়তা পূৰণ কৰিব পৰা যায়। চৰকাৰে নিজৰ বিত্তীয় দায়ৱদ্ধতা পূৰণ কৰিবলৈ পর্যাপ্ত সমল গোটাব লাগে আৰু উপযুক্ত বিধি বিধানৰ দ্বাৰা বিত্তীয় ব্যৱস্থাটো নিয়ন্ত্রণ কৰিব লাগে। তেতিয়াহে অবাঞ্ছিত অথবা কল্পনাপ্রসূত লেনদেন এৰাই চলিব পৰা যাব। এই আটাইবোৰ কথাই এটা অর্থনীতিৰ বিত্তীয় শৃংখলাৱদ্ধতা আৰু নিয়ন্ত্রণৰ সৃষ্টি কৰে।
- বিত্তীয় ব্যৱস্থাই ঘৰুৱা আৰু বৈদেশিক বাণিজ্যৰ বিকাশত সহায় কৰে। বিত্তীয় প্রতিষ্ঠানবোৰে ব্যৱসায়ীক বিত্ত সাহায্য প্রদান কৰে। বিত্তীয় বজাৰে 'বিত্তীয় বিলৰ দৰে বিত্তীয় আহিলাৰ বাট্টাকৰণত সহায় কৰে। ই কেৱল ব্যৱসায়ী সকলকেই নহয়, বিভিন্ন বিত্তীয় প্রতিষ্ঠানকো সহায় কৰে। বিত্তীয় ব্যৱস্থাৰ অস্তিত্ব আছে বাবেই দেশবোৰে বৈদেশিক মুদ্রা আহৰণ কৰিব পাৰে।
- বিত্তীয় ব্যৱস্থাই বৈদেশিক মূলধন আকর্ষণ কৰে। ই মূলধনী বজাৰৰ পৃষ্ঠপোষকতা কৰে। এক গতিশীল মূলধনী বজাৰে ঘৰুৱা আৰু বৈদেশিক দুয়ো ধৰণৰ পুঁজি আকর্ষণ কৰিব পাৰে। মূলধন যিমানে অধিক হ'ব বিনিয়োগ সিমানেই অধিক বাঢ়িব। ই দেশ এখনৰ অর্থনৈতিক উন্নয়নৰ হাৰ বৃদ্ধি কৰিব।
- এক সুস্থ আৰু গতিশীল বিত্তীয় ব্যৱস্থাই সমষ্টিবাদী অর্থনৈতিক সুস্থিৰতা স্থাপনত অৰিহণা যোগাব পাৰে। সমষ্টিবাদী অর্থনৈতিক সুস্থিৰতা দেশ এখনৰ সমাজিক আৰু ৰাজনৈতিক সুস্থিৰতাৰ ওপৰত নির্ভৰশীল। এনে সুস্থিৰতাই বিকাশ তথা উন্নয়নৰ সম্ভাৱনা বৃদ্ধি কৰে।

জানি থোৱা ভাল

বিত্তীয় ব্যৱস্থাই কোনো এক অর্থনীতিত কিমান গুৰুত্বপূর্ণ ভূমিকা পালন কৰে সেয়া তলৰ কথাবোৰৰ পৰা বুজিব পাৰি-

- বিত্তীয় ব্যৱস্থাই সঞ্চয় আৰু বিনিয়োগক উৎসাহিত কৰে।
- বিত্তীয় ব্যৱস্থাই কোনো এক অর্থনীতিৰ ৰাষ্ট্রীয় উৎপন্নৰ পৰিমান বৃদ্ধি কৰে।
- বিত্তীয় ব্যৱস্থাই দেশ এখনৰ আন্তঃ গাঁথনি সৃষ্টি তথা বিকাশত সহায় কৰে।
- বিত্তীয় ব্যৱস্থাই দেশ এখনক আন্তঃৰাষ্ট্রীয় প্রতিদ্বন্দ্বিতাত ভাগ ল'ব পৰা কৰি তোলে।
- বিত্তীয় ব্যৱস্থাই দেশৰ সুষম বিকাশ সুনিশ্চিত কৰে।

- বিত্তীয় ব্যৱস্থাই দেশৰ পিচপৰা আৰু গ্ৰামাঞ্চলবোৰৰ উন্নয়নত সহায় কৰে।
- বিত্তীয় ব্যৱস্থাই দেশ এখনত বিত্তীয় শৃংখলাৱদ্ধতাৰ সৃষ্টি কৰে।
- বিত্তীয় ব্যৱস্থাই ঘৰুৱা আৰু বিদেশী বাণিজ্য বৃদ্ধিত সহায় কৰে।
- বিত্তীয় ব্যৱস্থাই বৈদেশিক মূলধন আকৰ্ষণ কৰে।
- বিত্তীয় ব্যৱস্থাই দেশ এখনৰ সমাজিক আৰু ৰাজনৈতিক সুস্থিৰতা বৰ্তাই ৰখাত সহায় কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ এখন দেশৰ অৰ্থনৈতিক উন্নয়নত বিত্তীয় ব্যৱস্থাৰ ভূমিকা আলোচনা কৰক। (১০০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....

.....

প্ৰশ্ন ৫ ঃ বিত্তীয় ব্যৱস্থা এটাই কেনেদৰে এখন দেশৰ সঞ্চয় আৰু বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰে? (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

প্ৰশ্ন ৬ ঃ বিত্তীয় ব্যৱস্থা এটাই কেনেদৰে সমাজৰ পিচপৰা শ্ৰেণীৰ উন্নয়নত সহায় কৰে ব্যাখ্যা কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৭। শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক

(ক) বিত্তীয় ব্যৱস্থাই ৰাষ্ট্রীয় উৎপন্নৰ পৰিমাণ অৱনমিত কৰে।

(খ) বিত্তীয় ব্যৱস্থাই বিদেশী মূলধন আকর্ষণ কৰে।

.....

.....

১৩.৫ বিত্তীয় ব্যৱস্থাত নিহিত উপাদানসমূহ

এটা বিত্তীয় ব্যৱস্থাত চাৰিটা প্রধান উপাদান নিহিত থাকে। উপাদান কেইটা হ'ল-

- বিত্তীয় সম্পত্তি অথবা আহিলা
- বিত্তীয় বজাৰ
- বিত্তীয় প্রতিষ্ঠান
- বিত্তীয় সেৱা।
- **বিত্তীয় সম্পত্তি অথবা আহিলা (Financial Assets or Instruments) ঃ**
  বিত্তীয় সম্পত্তি অথবা নগদী মুদ্রাৰ প্রায় সমপর্যায়ৰ সম্পত্তি (near money assets) মানে হ'ল বাস্তৱখণ্ডৰ সম্পত্তি একক (real sector units)ৰ বিপৰীতে কৰিব পৰা বিত্তীয় দাবী (Claims) নাইবা বিত্তীয় প্রতিষ্ঠানৰ পৰা কৰিব পৰা বিত্তীয় দাবী। এই বোৰে মুদ্রাৰ কিছুমান কার্য সম্পাদন কৰে। যিকোনো বিত্তীয় নথিত অন্তর্ভুক্ত বিত্তীয় সম্পত্তি বা আহিলা হ'ল কোনো পৰিশোধযোগ্য ধনৰ প্রমাণ। এনে সম্পত্তি/আহিলা বিক্রী অথবা হস্তান্তৰ কৰি বিক্রেতাই বিত্ত আহৰণ কৰিব পাৰে। বিত্তীয় সম্পত্তি / আহিলাৰ উদাহৰণ হ'ল বিত্তীয় বিল (bills), হুণ্ডি (bonds), ধন জমা কৰাৰ প্রমাণপত্র (CDs), অন্য প্রতিভূতি (Securities) ইত্যাদি। এই সম্পত্তি আহিলাবোৰক দুভাগত ভগোৱা হয়- মুখ্য অথবা প্রত্যক্ষ সম্পত্তি আৰু গৌণ অথবা পৰোক্ষ সম্পত্তি।
  - ➢ মুখ্য অথবা প্রত্যক্ষ সম্পত্তি ঃ মুখ্য অথবা প্রত্যক্ষ সম্পত্তি হ'ল বাস্তৱ সম্পত্তি একক তাৰে কেইটামান হ'ল- বিল, হুণ্ডি, ইকুইটি, কিতাবী দেনা (book debits) ইত্যাদি। বাস্তৱ খণ্ডৰ সম্পত্তি এককে এনে দাবীৰ সৃষ্টি কৰি চৰম ঋণগ্রস্তক নিজৰ ঘাটি ব্যয় পূৰণৰ অর্থে পুঁজি সংগ্রহত সহায় কৰে।
  - ➢ গৌণ অথবা পৰোক্ষ সম্পত্তি ঃ গৌণ সম্পত্তি হ'ল সাধাৰণ লোকৰ পৰা পুঁজি সংগ্রহ কৰিবলৈ বিত্তীয় প্রতিষ্ঠানবোৰে নিজৰ বিৰুদ্ধে কৰা বিত্তীয় দাবী। এনে দাবীৰ উদাহৰণ হ'ল বেংক জমা, জীৱন বীমা, পলিচি, মিউচুৱেল ফাণ্ডৰ একক ইত্যাদি। এনে সম্পত্তিবোৰ হ'ল বিত্তীয় প্রতিষ্ঠানবোৰৰ দায়ৱদ্ধতা।

বিত্তীয় সম্পত্তি নাইবা আহিলাবোৰৰ কেইটামান বৈশিষ্ট্য আছে। বৈশিষ্ট্যবোৰ হ'ল-

- হস্তান্তৰসাধ্যতা (Transferability) ঃ অধিকাংশ বিত্তীয় সম্পত্তিয়েই হস্তান্তৰসাধ্য। অর্থাৎ, এনে সম্পত্তি বিশেষ অসুবিধা নথকাকৈ ইজনৰ পৰা সিজনৰ হাতলৈ হস্তান্তৰ কৰিব পাৰি।
- বিপণনসাধ্যতা (Marketability) ঃ বিত্তীয় সম্পত্তিবোৰৰ বাবে এখন সদা প্রস্তুত বজাৰ থাকে। অর্থাৎ, এনে সম্পত্তি সঘনাই কিনা-বেচা কৰিব পাৰি। সেয়েহে এনে প্রতিভূতিবোৰক লৈ ব্যৱসায় কৰাটো সম্ভৱ।
- তাৰল্য (Liquidity) ঃ বিত্তীয় সম্পত্তিবোৰৰ আন এক বৈশিষ্ট্য হৈছে তাৰল্য। এনে বহুতো সম্পত্তি / আহিলাক সহজেই নগদ ধনলৈ সলনি কৰিব পাৰি।
- কৰ প্রস্থিতি (Tax Status) ঃ কিছুমান বিত্তীয় সম্পত্তিয়ে কৰ ৰেহাইৰ সুবিধা লাভ কৰে। যেনে- চৰকাৰী প্রতিভূতিত কৰা বিনিয়োগবোৰক আয়কৰ, সম্পত্তিকৰ ইত্যাদিৰ পৰা এক নির্দিষ্ট সীমা পর্যন্ত ৰেহাই দিয়া হয়।
- ধনৰ অভাৱ ঘটাৰ আশংকা (Risk of default) ঃ বিত্তীয় সম্পত্তিবোৰৰ সৈতে কিছু আশংকা জড়িত হৈ থাকে। মুখ্য সম্পত্তি নাইবা সূত নাইবা লাভাংশ (dividend) পৰিশোধ কৰাৰ ক্ষেত্রত কেতিয়াবা অনিশ্চয়তাই দেখা দিব পাৰে।
- পৰিপক্কতা কাল বা ম্যাদৰ কাল (Maturity Period) ঃ বিত্তীয় সম্পত্তি হ্রস্বম্যাদী, মধ্যম ম্যাদী নাইবা দীর্ঘম্যাদী হ'ব পাৰে। পৰিপক্কতা কালৰ ওপৰত নির্ভৰ কৰি সম্পত্তিক এই তিনিভাগত ভগোৱা হয়।
- ঘূৰাই দিবলগীয়া ধনৰ দৰ (Rate of Return) ঃ বিত্তীয় সম্পত্তিৰ বিনিময়ত ঘূৰাই পাবলগীয়া ধনৰ দৰ সাধাৰণতে সম্পত্তি বিধৰ সৈতে জড়িত থকা বিপদৰ আশংকাৰ সৈতে প্রত্যক্ষ ভাৱে নির্ভৰশীল।

- **বিত্তীয় বজাৰ (Financial Markets) ঃ**

  এখন দেশৰ বিত্তীয় ব্যৱস্থাই বিত্তীয় বজাৰ আৰু বিত্তীয় প্রতিষ্ঠানৰ জৰিয়তে নিজৰ কাম-কাজ আগবঢ়াই নিয়ে। বিত্তীয় বজাৰবোৰৰ প্রকৃতি অন্য সামগ্রী তথা সেৱাৰ বজাৰবোৰৰ দৰে একে। বিত্তীয় বজাৰে সামগ্রী আৰু সেৱাৰ সলনি প্রচলিত কাগজী মুদ্রা, জমাধন, চেক, বিল, হুণ্ডি আদিৰ দৰে বিভিন্ন প্রকাৰৰ বিত্তীয় সম্পত্তি আৰু আহিলাৰ ব্যৱসায় কৰে। বিত্তীয় বজাৰবোৰে তলত উল্লেখ কৰা কার্যবোৰ সম্পাদন কৰে-

  - ঋণ সৃষ্টি আৰু আবণ্টন,
  - সঞ্চিত ধন সংগ্রহ প্রক্রিয়াত এক মধ্যৱর্তীৰ ভূমিকা,
  - ঋণ দিওতা আৰু ঋণ লওতাৰ বাবে সুবিধাজনক আৰু লাভদায়ক পৰিস্থিতিৰ সৃষ্টি,
  - পুঁজিৰ সমতাপূর্ণ আবণ্টনৰ জৰিয়তে অর্থনৈতিক উন্নয়নৰ পৃষ্ঠপোষকতা।

বিত্তীয় বজাৰবোৰক দুটা বহল ভাগত ভগোৱা হয়- মুদ্রা বজাৰ (money market) আৰু

মূলধন বজাৰ (capital market)

- **মুদ্রা বজাৰ (Money Market) ঃ** মুদ্রা বজাৰে পুঁজিৰ হ্রস্বম্যাদী ঋণদান আৰু ঋণ গ্রহণ প্রক্রিয়া নিয়ন্ত্রণ কৰে। মুদ্রা বজাৰত হ্রস্বম্যাদী প্রতিভূতিবোৰ বিনিময় কৰা হয়। ই এখন অতি তৰল বজাৰ। ইয়াত লেন-দেন ব্যয় হ্রাস কৰিবলৈ বিপুল ধনৰাশিৰ প্রতিভূতি বেচা-কিনা কৰা হয়। মুদ্রা বজাৰক পুনৰ দুটা ভাগত ভগোৱা হয়- সংগঠিত আৰু অসংগঠিত খণ্ড। সংগঠিত খণ্ডই তলব মুদ্রা বজাৰ (call money market), বিল বজাৰ আৰু বেংক ঋণক সামৰি লয়। অসংগঠিত খণ্ডই হুণ্ডি, থলুৱা বেংকাৰৰ পৰা লোৱা ঋণ, টকা ধাৰলৈ দিওতা আৰু অন্যবোৰক সামৰি লয়।
- **মূলধন বজাৰ (Capital Market) ঃ** মূলধন বজাৰে পুঁজিৰ মধ্যম ম্যাদী আৰু দীর্ঘম্যাদী ঋণগ্রহণ তথা ঋণদান প্রক্রিয়া সম্পাদন কৰে। মুদ্রা বজাৰৰ দৰে মূলধন বজাৰকো দুটা, খণ্ডত ভগোৱা হয়- সংগঠিত আৰু অসংগঠিত খণ্ড। সংগঠিত খণ্ডই ষ্টক বজাৰ, বেংক ঋণ আৰু অনা-বেংকিং বিত্তীয় প্রতিষ্ঠানবোৰে দিয়া ঋণক সামৰি লয়। অসংগঠিত খণ্ডই টকা ধাৰলৈ দিওতাৰ পৰা লোৱা ঋণকে ধৰি অন্য ঋণবোৰ সামৰি লয়।

- **বিত্তীয় প্রতিষ্ঠান (Financial Institutions) ঃ**

বিত্তীয় প্রতিষ্ঠানবোৰে সঞ্চয়ৰ ধন সংগ্রহত মধ্যৱর্তীৰ ভূমিকা পালন কৰে। এনে প্রতিষ্ঠানে পুঁজি আবণ্টন প্রক্রিয়াটোও ফলপ্রসূভাৱে আগবঢ়াই নিয়ে। যিসকলে নিজৰ সাম্প্রতিক ক্রয় ক্ষমতা এৰি দিবলৈ ইচ্ছুক তেওঁলোকৰ পৰা বিত্তীয় প্রতিষ্ঠানবোৰে পুঁজি ধাৰলৈ লয় নাইবা তেওঁলোকৰ পুঁজি জমা ৰাখে। এনে পুঁজি পাছত সাম্প্রতিক ব্যয়ৰ জোৰা মাৰিবলৈ ধনৰ প্রয়োজন হোৱাসকলক ধাৰলৈ দিয়া হয় নাইবা তেওঁলোকৰ পৰা প্রতিভূতি কিনাত খৰছ কৰা হয়। অর্থাৎ, বিত্তীয় প্রতিষ্ঠানবোৰৰ প্রধান কাম হ'ল অর্থনৈতিক এককবোৰৰ পৰা ৰাহি পুঁজি সংগ্রহ কৰি ঘাটি ব্যয় কৰোঁতাসকলক ধাৰলৈ দিয়া। বিত্তীয় প্রতিষ্ঠানবোৰক দুটা প্রধান ভাগত ভগোৱা হয়-

  - বেংকিং প্রতিষ্ঠান
  - অনা-বেংকিং বিত্তীয় প্রতিষ্ঠান

বেংকিং প্রতিষ্ঠানবোৰ হ'ল ঋণ সৃষ্টিকর্তা। অনা-বেংকিং বিত্তীয় প্রতিষ্ঠানবোৰে কেৱল ঋণহে আগবঢ়ায়। বেংকবোৰৰ দায়ৱদ্ধতা হ'ল মুদ্রা যোগানৰ এটা অংশ। কিন্তু অনা-বেংকিং বিত্তীয় প্রতিষ্ঠানবোৰৰ ক্ষেত্রত এনে কোনো দায়ৱদ্ধতা নাই। ভাৰতত ঋণৰ যোগান ধৰা প্রধান অনা-বেংকিং বিত্তীয় প্রতিষ্ঠানবোৰ হ'ল উন্নয়নমূলক বিত্তীয় প্রতিষ্ঠান (Developmental Financial Institutions/DFIs) অনা-বেংকিং বিত্তীয় কোম্পানী

(Non Baning Financial Companies) আৰু গৃহ নির্মাণ ঋণ আগবঢ়োৱা বিত্তীয় কোম্পানী (Housing Finance Companies)। বিত্তীয় প্রতিষ্ঠানবোৰক আন এটা শিতানত ভাগ কৰা হয়। শিতানটো হ'ল চর্তসাপেক্ষ বিত্তীয় প্রতিষ্ঠান (Term Finance Institutions)। এই শিতানৰ অন্তর্ভুক্ত বেংকবোৰ হ'ল ভাৰতীয় ঔদ্যোগিক বিকাশ বেংক (IDBI), ভাৰতীয় ঔদ্যোগিক ঋণ আৰু বিনিয়োগ নিগম (ICICI), ভাৰতীয় ঔদ্যোগিক বিত্তীয় নিগম (IFCI), ভাৰতীয় ঔদ্যোগিক বিনিময় বেংক(IIBI) আৰু ভাৰতীয় ক্ষুদ্র উদ্যোগ বিকাশ বেংক (SIDBI)।

বিত্তীয় প্রতিষ্ঠানবোৰ হ'ল প্রতিভূতিবোৰৰ ডীলাৰ। এনে প্রতিষ্ঠানে ক্রয় কৰা প্রতিভূতিবোৰক মুখ্য প্রতিভূতি আৰু বিক্রী কৰা প্রতিভূতিবোৰক গৌণ প্রতিভূতি বোলা হয়।

- **বিত্তীয় সেৱা (Financial Services) ঃ**

বিভিন্ন ধৰণৰ বিত্তীয় লেনদেন আৰু অন্য সংশ্লিষ্ট কার্যকলাপ সম্পাদন কৰিবলৈ বিত্তীয় প্রতিষ্ঠানবোৰে আগবঢ়োৱা সামগ্রী তথা সেৱাবোৰকে বিত্তীয় সেৱা বোলে। বিত্তীয় প্রতিষ্ঠান আৰু বিত্তীয় বজাৰবোৰে বিত্তীয় আহিলাৰ জৰিয়তে বিত্তীয় ব্যৱস্থা এটাৰ কাম-কাজ চলি থকাত সহায় আগবঢ়ায়। বিত্তীয় প্রতিষ্ঠান আৰু বজাৰবোৰৰ ওপৰত ন্যস্ত দায়িত্ববোৰ পালন কৰাৰ সময়ত এইবোৰক বিভিন্ন বিত্তীয় প্রকৃতিৰ সেৱাৰ প্রয়োজন হয়। এই প্রয়োজনৰ বাবেই বিত্তীয় সেৱাবোৰ গঢ় লৈ উঠে। সেয়েহে বিত্তীয় সেৱাক বিত্তীয় ব্যৱস্থাৰ চতুর্থটো প্রধান উপাদান বুলি গণ্য কৰা হয়। বিত্তীয় প্রতিষ্ঠানবোৰে আগবঢ়োৱা বিত্তীয় সেৱাবোৰে বিনিয়োগকাৰীৰ জ্ঞানৰ অভাৱৰ ফলত সৃষ্টি হোৱা ব্যৱধান দূৰ কৰে আৰু বিত্তীয় আহিলা তথা বজাৰবোৰ অত্যাধুনিক কৰি গঢ়ি তোলে। এনে সেৱাই ঋণলাভ, প্রতিভূতি কিনা-বেচা, ঋণদান আৰু বিনিয়োগ ধন পৰিশোধ কৰা আৰু পৰিশোধৰ অনুমতি দিয়া, বিত্তীয় নিষ্পত্তি আৰু বিত্তীয় বজাৰত হোৱা অথবা হ'ব পৰা বিপদৰ পৰা হাত সৰা কার্য তদাৰক কৰা আদিক সামৰি লয়। বিত্তীয় সেৱাৰ আগবঢ়োৱা অনুষ্ঠান প্রতিষ্ঠানবোৰ হ'ল সেৱা ভাৰালৈ দিয়া কোম্পানী (leasing companies), মিউচুৱেল ফাণ্ড প্রতিষ্ঠান, বাণিজ্যিক বেংকাৰ, প'র্টফ'লিঅ' মেনেজাৰ, বিল বিগণনাকাৰী আৰু গ্রহণকাৰী প্রতিষ্ঠান ইত্যাদি। এনে অনুষ্ঠান / প্রতিষ্ঠানে আগবঢ়োৱা সেৱা দুটামান হ'ল ক্রেডিট ৰেটিং, মিউচুৱেল ফাণ্ড, বাণিজ্যিক বেংকিং, ধন জমা ৰখা সেৱা, হিচাপ-নিকাচৰ খতিয়ান ৰখা (book building) ইত্যাদি।



জানি থোৱা ভাল

বিত্তীয় ব্যৱস্থা এটাত চাৰিটা প্রধান উপাদান থাকে- বিত্তীয়

সম্পত্তি, বিত্তীয় বজাৰ, বিত্তীয় প্ৰতিষ্ঠান আৰু বিত্তীয় সেৱা। বিত্তীয় সম্পত্তিবোৰ হ'ল বাস্তৱ খণ্ডৰ সম্পত্তি এককৰ বিপৰীতে কৰিব পৰা বিত্তীয় দাবী নাইবা বিত্তীয় প্ৰতিষ্ঠানৰ ওপৰত কৰিব পৰা বিত্তীয় দাবী। ই মুদ্ৰাৰ কিছুমান কাৰ্য সম্পাদন কৰে। এই সম্পত্তিবোৰক দুটা ভাগত ভাগ কৰিব পাৰি- মূখ্য (প্ৰাথমিক) বা প্ৰত্যক্ষ সম্পত্তি আৰু গৌণ অথবা পৰোক্ষ সম্পত্তি। বিত্তীয় বজাৰে প্ৰচলিত কাগজী মুদ্ৰা, জমাধন, চেক, বিল, হুণ্ডি আদিৰ দৰে বিভিন্ন প্ৰকাৰৰ বিত্তীয় সম্পত্তি আৰু আহিলাৰ ব্যৱসায় কৰে। বিত্তীয় প্ৰতিষ্ঠানবোৰে সঞ্চয়ৰ ধন সংগ্ৰহত মধ্যৱৰ্তীৰ ভূমিকা পালন কৰে। এনে প্ৰতিষ্ঠানে পুঁজি আবণ্টন প্ৰক্ৰিয়াটোও ফলপ্ৰসূভাৱে আগবঢ়াই নিয়ে। বিত্তীয় প্ৰতিষ্ঠানবোৰক দুটা প্ৰধান ভাগত ভগোৱা হয়- বেংকিং প্ৰতিষ্ঠান আৰু অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠান। বেংকিং প্ৰতিষ্ঠানবোৰ হ'ল ঋণ সৃষ্টিকৰ্তা। অনা-বেংকিং বিত্তীয় প্ৰতিষ্ঠানবোৰে কেৱল ঋণ আগবঢ়ায়। বিত্তীয় সেৱা খণ্ডই আগবেঢ়োৱা দুটামান বৃত্তিগত সেৱা হ'ল ক্ৰেডিট ৰেটিং, মিউচুৱেল ফাণ্ড, বাণিজ্যিক বেংকিং, ধন জমা ৰখা সেৱা, হিচাপ-নিকাচৰ খতিয়ান ৰখা (book building) ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৮ ঃ বিত্তীয় ব্যৱস্থা এটাৰ উপাদানবোৰ কি কি? (২০ টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন ৯ ঃ বিত্তীয় সম্পত্তিৰ সংজ্ঞা দিয়ক? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন ১০ ঃ বিত্তীয় সেৱাৰ সংজ্ঞা দিয়ক? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অর্থনৈতিক পৰিৱর্তন সাধন কৰাৰ সবাতোকৈ গুৰুত্বপূর্ণ আনুষ্ঠানিক তথা কার্যসম্পাদনকাৰী আহিলাবোৰৰ এটা হ'ল বিত্তীয় ব্যৱস্থা ই হ'ল এক প্রণালীৱদ্ধ কার্যব্যৱস্থা। ইয়াৰ জৰিয়তে ঋণদাতা, ঋণ লওতা আৰু বিনিয়োগকাৰীৰ মাজত পূঁজিৰ লেনদেন হয়। প্রতিটো অর্থনীতিকে নিজৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিবলৈ এক উপযুক্ত তথা ফলপ্রসূ বিত্তীয় ব্যৱস্থাৰ প্রয়োজন হয়। বিত্তীয় ব্যৱস্থা বুলিলে আনুষ্ঠানিক ব্যৱস্থাপনাৰ এনে এক সমষ্টিৰ কথা বুজোৱা হয় যিটোৰ জৰিয়তে অর্থনীতিৰ বিত্তীয় ৰাহি বোৰক ৰাহি এককৰ পৰা সংগ্রহ কৰি ঘাটি এককবোৰলৈ স্থানান্তৰিত কৰা হয়। বিত্তীয় ব্যৱস্থা এটাৰ আনুষ্ঠানিক ব্যৱস্থাপনাই সামৰি লোৱা কার্যবোৰ হ'ল- উৎপাদন, বিতৰণ, বিত্তীয় সম্পত্তি নাইবা আহিলা বিনিময় তথা আহৰণৰ চর্ত আৰু ব্যৱস্থা নির্ধাৰণ কৰা, বিত্তীয় বজাৰবোৰৰ কার্য সম্পাদন নীতি নির্ধাৰণ কৰা আৰু বিত্তীয় প্রতিষ্ঠানবোৰৰ সংগঠন তথা কার্যসম্পাদন ব্যৱস্থা নির্ধাৰণ কৰা।
- বিত্তীয় ব্যৱস্থা আৰু পৰিশোধ ব্যৱস্থাৰ মাজত প্রভেদ আছে। বিত্তীয় ব্যৱস্থাই মুদ্রা, ঋণ তথা বিত্তকে ধৰি নগদ ধন আৰু ঋণ লেনদেনৰ সৈতে জড়িত সকলো কাম-কাজক সামৰি লয়। পৰিশোধ ব্যৱস্থাই কেৱল নগদ ধন পৰিশোধ কৰা কার্যটোৰ কথাহে বুজায়।
- বিত্তীয় ব্যৱস্থাই সঞ্চয় আৰু বিনিয়োগক উৎসাহিত কৰে, ই কোনো এক অর্থনীতিৰ ৰাষ্ট্রীয় উৎপন্নৰ পৰিমাণ উন্নত কৰে, দেশ এখনৰ আন্তঃগাঁথনি সৃষ্টি তথা বিকাশত সহায় কৰে, দেশ এখনক আন্তঃৰাষ্ট্রীয় প্রতিদ্বন্দ্বিতাত ভাগ ল'ব পৰা কৰি তোলে আৰু দেশ এখনৰ সন্তুলিত বিকাশ সুনিশ্চিত কৰে।
- বিত্তীয় সম্পত্তি অথবা নগদী মুদ্রাৰ প্রায় সমপর্যায়ৰ সম্পত্তি মানে হ'ল বাস্তৱ খণ্ডৰ সম্পত্তি এককৰ বিপৰীতে কৰিব পৰা বিত্তীয় দাবী নাইবা বিত্তীয় প্রতিষ্ঠানৰ পৰা কৰিব পৰা বিত্তীয় দাবী। এই সম্পত্তিবোৰক দুটা ভাগত ভগোৱা হয়- মুখ্য অথবা প্রত্যক্ষ সম্পত্তি আৰু গৌণ অথবা পৰোক্ষ সম্পত্তি। মুখ্য অথবা প্রত্যক্ষ সম্পত্তি হ'ল বাস্তৱ খণ্ডৰ সম্পত্তি এককৰ বিপৰীতে কৰিব পৰা বিত্তীয় দাবী। গৌণ অথবা পৰোক্ষ সম্পত্তি হ'ল সাধাৰণ লোকৰ পৰা পুঁজি সংগ্রহ কৰিবলৈ বিত্তীয় প্রতিষ্ঠানবোৰে নিজে নিজৰ বিৰুদ্ধে কৰা বিত্তীয় দাবী।
- বিত্তীয় বজাৰ হ'ল এনে এক বজাৰ য'ত মানুহে প্রচলিত কাগজী মুদ্রা, জমাধন, চেক, বিল, হুণ্ডি আদিৰ দৰে বিভিন্ন প্রকাৰৰ বিত্তীয় সম্পত্তি আৰু আহিলাৰ ব্যৱসায় কৰে। বিত্তীয় বজাৰবোৰক দুটা বহল ভাগত ভগোৱা হয়- মুদ্রা বজাৰ আৰু মূলধন বজাৰ। মুদ্রা বজাৰে পূঁজিৰ হ্রস্বম্যাদী ঋণদান আৰু ঋণগ্রহণ প্রক্রিয়া নিয়ন্ত্রণ কৰে। মূলধন বজাৰে পূঁজিৰ মধ্যম ম্যাদী আৰু দীর্ঘ ম্যাদী ঋণগ্রহণ তথা ঋণদান প্রক্রিয়া সম্পাদন কৰে। মুদ্রা বজাৰৰ উদাহৰণ হ'ল- তলব মুদ্রা বজাৰ (Call money market) আৰু বিল বজাৰ। মূলধন বজাৰৰ উদাহৰণ হ'ল- ষ্টক বজাৰ, চৰকাৰী প্রতিভূতিৰ বজাৰ ইত্যাদি।
- বিত্তীয় প্রতিষ্ঠানবোৰে সঞ্চয়ৰ ধন সংগ্রহৰ মধ্যৱর্তীৰ ভূমিকা পালন কৰে। এনে প্রতিষ্ঠানে

পূঁজি আবন্টন প্রক্রিয়াটোও ফলপ্রসূভাৱে আগবঢ়াই নিয়ে। এনে প্রতিষ্ঠানৰ প্রধান কাম হ'ল অর্থনৈতিক এককবোৰৰ পৰা ৰাহি পূঁজি সংগ্রহ কৰি ঘাটি ব্যয় কৰোঁতাসকলক ধাৰলৈ দিয়া। বিত্তীয় প্রতিষ্ঠানবোৰক দুটা প্রধান ভাগত ভগোৱা হয় - বেংকিং প্রতিষ্ঠান আৰু অনা-বেংকিং বিত্তীয় প্রতিষ্ঠান। বেংকিং প্রতিষ্ঠানবোৰ হ'ল ঋণ সৃষ্টিকর্তা। অনা-বেংকিং বিত্তীয় প্রতিষ্ঠানবোৰে কেৱল ঋণহে আগবঢ়ায়।

- বিভিন্ন ধৰণৰ বিত্তীয় লেনদেন আৰু অন্য সংশ্লিষ্ট কার্যকলাপ সম্পাদন কৰিবলৈ বিত্তীয় প্রতিষ্ঠানবোৰে আগবঢ়োৱা সামগ্রী তথা সেৱাবোৰকে বিত্তীয় সেৱা বোলে। এনে সেৱাই ঋণলাভ, প্রতিভূতি কিনা-বেচা ঋণদান আৰু বিনিয়োগ, ধন পৰিশোধ কৰা আৰু পৰিশোধৰ অনুমতি দিয়া, বিত্তীয় নিষ্পত্তি আৰু বিত্তীয় বজাৰত হোৱা অথবা হ'ব পৰা বিপদৰ পৰা হাত সৰা কার্যৰ তদাৰক কৰা আদিক সামৰি লয়।



১৩.৭ অধিক জানিবৰ বাবে

- Gupta, B. (2003). *Monetary Economics : Institutions, Theory and Policy.* New Delhi : S. Chand & Company Ltd.
- Jhingan, M.L. (2012). *Monetary Economics.* Delhi : Vrinda Publications Ltd.
- Pathak, B. V. (2010). *The Indian Financial System : Markets, Institutions and Services.* India : Pearson.
- Paul, R. R. (2009). *Money Banking and Public Finance.* New Delhi : Kalyani Publishers.



১৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বিত্তীয় ব্যৱস্থা বুলিলে আনুষ্ঠানিক ব্যৱস্থাপনাৰ এনে এক সমষ্টিৰ কথা বুজোৱা হয় যিটোৰ জৰিয়তে অর্থনীতিৰ বিত্তীয় ৰাহিবোৰক ৰাহি এককৰ পৰা সংগ্রহ কৰি ঘাটি একক বোৰলৈ স্থানান্তৰিত কৰা হয়। বিত্তীয় ব্যৱস্থা এটাৰ আনুষ্ঠানিক ব্যৱস্থাপনাই সামৰি লোৱা কার্যবোৰ- হ'ল- উৎপাদন, বিতৰণ, বিত্তীয় সম্পত্তি নাইবা আহিলা বিনিময় তথা আহৰণৰ চর্ত আৰু ব্যৱস্থা নির্ধাৰণ কৰা, বিত্তীয় বজাৰবোৰৰ কার্য সম্পাদন নীতি নির্ধাৰণ কৰা আৰু বিত্তীয় প্রতিষ্ঠানবোৰৰ সংগঠন তথা কার্যসম্পাদন ব্যৱস্থা নির্ধাৰণ কৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ বিত্তীয় ব্যৱস্থা আৰু পৰিশোধ ব্যৱস্থাৰ মাজত প্রভেদ আছে। বিত্তীয় ব্যৱস্থাই মুদ্রা, ঋণ তথা বিত্তকে ধৰি নগদ ধন আৰু ঋণ লেনদেনৰ সৈতে জড়িত সকলো কাম-কাজক সামৰি লয়। পৰিশোধ ব্যৱস্থাই কেৱল নগদ ধন পৰিশোধ কৰা কার্যটোৰ কথাহে

বুজায়।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ, (খ) শুদ্ধ, (গ) অশুদ্ধ, (ঘ) অশুদ্ধ

৪ নং প্রশ্নৰ উত্তৰ ঃ বিত্তীয় ব্যৱস্থা এটাই কোনো এখন দেশৰ অর্থনীতিত কিমান গুৰুত্বপূর্ণ ভূমিকা পালন কৰে সেয়া তলৰ কথাবোৰৰ পৰা বুজিব পাৰি-

- ই সঞ্চয় আৰু বিনিয়োগক উৎসাহিত কৰে
- ই কোনো এক অর্থনীতিৰ ৰাষ্ট্রীয় উৎপন্নৰ পৰিমাণ বৃদ্ধি কৰে
- ই দেশ এখনৰ আন্তঃগাঁথনি সৃষ্টি তথা বিকাশত সহায় কৰে
- ই দেশ এখনক আন্তঃৰাষ্ট্রীয় প্রতিদ্বন্দ্বিতাত ভাগ ল'ব পৰা কৰি তোলে
- ই দেশৰ সন্তুলিত বিকাশ সুনিশ্চিত কৰে
- ই দেশৰ পিচপৰা আৰু গ্রামাঞ্চলবোৰৰ উন্নয়নত সহায় কৰে
- ই দেশ এখনত বিত্তীয় শৃংখলাৱদ্ধতাৰ সৃষ্টি কৰে
- ই বৈদেশিক মূলধন আকর্ষণ কৰে
- ই দেশ এখনৰ সমাজ-ৰাজনৈতিক সুস্থিৰতা বর্তাই ৰখাত সহায় কৰে

৫ নং প্রশ্নৰ উত্তৰ ঃ বিত্তীয় ব্যৱস্থাই ৰাহি পূঁজিৰ ফলপ্রসূ সংগ্রহ আৰু আবণ্টনৰ জৰিয়তে সঞ্চয়কাৰী তথা বিনিয়োগকাৰীৰ মাজত সংযোগ স্থাপন কৰে। বিত্তীয় প্রতিষ্ঠানবোৰে আকর্ষণীয় সূতৰ হাৰ আগবঢ়াই জনসাধাৰণক সঞ্চয়ৰ প্রতি আগ্রহী কৰি তোলে। এই ধনৰাশি পাচত দেশৰ উৎপাদন তথা বিতৰণৰ সৈতে জড়িত হৈ থকা বিভিন্ন ব্যৱসায়িক প্রতিষ্ঠানলৈ ঋণ হিচাপে আগবঢ়োৱা হয়। সঞ্চয়ৰ ধন সংগ্রহৰ উপৰি বিত্তীয় ব্যৱস্থা এটাই বিভিন্ন মধ্যৱর্তী বিত্তীয় প্রতিষ্ঠানৰ জৰিয়তে বিত্তীয় আহিলা আৰু সেৱাৰ নানা প্রকাৰৰ সা-সুবিধা আগবঢ়াই সঞ্চয়ৰ পৰিমাণ আৰু দৰ ত্বৰান্বিত কৰাত সহায় কৰে।

৬ নং প্রশ্নৰ উত্তৰ ঃ বিত্তীয় ব্যৱস্থাই গ্রামীন বিকাশ বেংক আৰু সমবায় সমিতিবোৰৰ সহায়ত দেশৰ গ্রাম্যাঞ্চল আৰু সমাজৰ দুর্বল শ্রেণীবোৰৰ উন্নয়নৰ পোষকতা কৰে। এই বিত্তীয় প্রতিষ্ঠানবোৰে উপযুক্ত মাধ্যমৰ সহায়ত গাঁওবাসী লোকক সঞ্চয়ৰ বাবে উৎসাহিত কৰে আৰু প্রয়োজনত তেওঁলোকক বিত্তীয় সাহায্য প্রদান কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৮ নং প্রশ্নৰ উত্তৰ ঃ এটা বিত্তীয় ব্যৱস্থাৰ প্রধান উপাদানকেইটা হ'ল-

- বিত্তীয় সম্পত্তি অথবা আহিলা
- বিত্তীয় বজাৰ
- বিত্তীয় প্রতিষ্ঠান
- বিত্তীয় সেৱা

৯ নং প্রশ্নৰ উত্তৰ ঃ বিত্তীয় সম্পত্তি অথবা নগদী মুদ্রাৰ প্রায় সমপর্যায়ৰ সম্পত্তি মানে হ'ল বাস্তৱ খণ্ডৰ সম্পত্তি এককৰ বিপৰীতে কৰিব পৰা বিত্তীয় দাবী নাইবা বিত্তীয় প্রতিষ্ঠানৰ পৰা কৰিব পৰা বিত্তীয় দাবী। এনে সম্পত্তিবোৰক দুটা ভাগত ভগোৱা হয়- মুখ্য অথবা প্রত্যক্ষ

সম্পত্তি আৰু গৌণ অথবা পৰোক্ষ সম্পত্তি।

১০ নং প্রশ্নৰ উত্তৰ ঃ বিভিন্ন ধৰণৰ বিত্তীয় লেনদেন আৰু অন্য সংশ্লিষ্ট কার্যকলাপ সম্পাদন কৰিবলৈ বিত্তীয় প্রতিষ্ঠানবোৰে আগবঢ়োৱা সামগ্রী তথা সেৱাবোৰকে বিত্তীয় সেৱা বোলে। এনে সেৱা দুটামান হ'ল- ৰেটিং, মিউচুৱেল ফাণ্ড, বাণিজ্যিক বেংক, ধন জমা ৰখা সেৱা, হিচাপ-নিকাচৰ খতিয়ান ৰখা ইত্যাদি।

১৩.৯ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (প্রতিটো প্রশ্নৰে ১৫০ টা মান শব্দত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বিত্তীয় ব্যৱস্থা কাক বোলে?

প্রশ্ন ২ ঃ বিত্তীয় ব্যৱস্থা আৰু পৰিশোধ ব্যৱস্থাৰ মাজত কি পার্থক্য আছে?

প্রশ্ন ৩ ঃ বিত্তীয় সেৱা সম্পর্কে এটি চমুটোকা লিখক।

প্রশ্ন ৪ ঃ বিত্তীয় বজাৰ কাক বোলে?

ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰে ৩০০-৫০০ টা মান শব্দত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বিত্তীয় ব্যৱস্থাৰ ভূমিকা আলোচনা কৰক।

প্রশ্ন ২ ঃ বিত্তীয় ব্যৱস্থাই বিত্তীয় শৃংখলাৱদ্ধতাৰ সৃষ্টি আৰু অর্থনীতিক নিয়ন্ত্রণ কৰে, আলোচনা কৰক।

প্রশ্ন ৩ ঃ বিত্তীয় ব্যৱস্থাৰ উপাদানবোৰ কি কি? ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ বিত্তীয় বজাৰ বুলিলে কি বুজে? বিভিন্ন প্রকাৰৰ বিত্তীয় বজাৰবোৰৰ ব্যাখ্যা দাঙি ধৰক।

** ***** **